# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 02-01-2025

**Time :** 1800 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - - -**

ভাৰতীয় ৰে'লৱেই গুৱাহাটী আৰু উত্তৰ লখিমপুৰৰ মাজত চলাচল কৰোৱাৰ সিদ্ধান্ত লোৱা নতুন জন শতাব্দী এক্সপ্ৰেছ ৰে'লগাড়ীখনৰ যাত্ৰা কাইলৈ গুৱাহাটীত ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে শুভাৰম্ভ কৰিব। ব্ৰহ্মপুত্ৰ উত্তৰ পাৰৰ সৈতে গুৱাহাটীৰ ৰে'ল যোগাযোগ অধিক সুচল কৰাৰ বাবে এই ৰে'লখন প্ৰৱৰ্তনৰ সিদ্ধান্ত লোৱা হৈছে। ৰে'ল বিভাগৰ সূত্ৰই জনোৱা মতে, সপ্তাহত দুবাৰকৈ চলাচল কৰিবলগীয়া এই ৰে'লগাড়ীখনে পুৱা ৯ বাজি ৫০ মিনিটত গুৱাহাটীৰ পৰা যাত্ৰা আৰম্ভ কৰি বিয়লি ৪ বাজি ১৫ মিনিটত উত্তৰ লখিমপুৰ পাবগৈ আৰু বিয়লি ৫ বজাত উত্তৰ লখিমপুৰৰ পৰা যাত্ৰা কৰি নিশা ১১ বাজি ২৫ মিনিটত গুৱাহাটী পাবহি।

ৰে'লমন্ত্ৰীগৰাকীয়ে কাইলৈ তিনিচুকীয়া-নাহৰলগুন এক্সপ্ৰেছ আৰু গুৱাহাটী-নিউ বঙাইগাঁও যাত্ৰীবাহী ৰে'লগাড়ী দুখনো পতাকা জোকাৰি শুভাৰম্ভ কৰিব। মন্ত্ৰীগৰাকীয়ে তেতেলীয়াত নিৰ্মাণ কৰা এখন পথ উৰণসেতুঁও উদ্বোধন কৰিব। তথ্য আৰু সম্প্ৰচাৰ বিভাগৰো মন্ত্ৰী বৈষ্ণৱে ভাৰ্চুৱেল ব্যৱস্থাৰে আকাশবাণী কোকৰাঝাৰ কেন্দ্ৰৰ নৱনিৰ্মিত এফ এম ট্ৰান্সমিটাৰটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব।

০০০০০

আকাশবাণীৰ সঞ্চালকপ্ৰধান শ্ৰীমতী প্ৰজ্ঞা পালিৱাল গৌড় দুদিনীয়া ভ্ৰমণসূচীৰে আজি গুৱাহাটীত উপস্থিত হৈছে। তেওঁ আজি গুৱাহাটীত আকাশবাণী আৰু দূৰদৰ্শনৰ বিষয়াবৰ্গৰ সৈতে মাধ্যম দুটাৰ কাম-কাজৰ পৰ্যালোচনা কৰে। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কাইলৈ গুৱাহাটীৰ পৰা ভাৰ্চুৱেল ব্যৱস্থাৰে কোকৰাঝাৰৰ নতুন এফ এম ট্ৰান্সমিটাৰ উদ্বোধনৰ প্ৰস্তুতি সম্পৰ্কেও সঞ্চালকপ্ৰধানগৰাকীয়ে আকাশবাণীৰ বিষয়াসকলৰ সৈতে আলোচনা কৰে।

০০০০০

অসমৰ সৈতে চুবুৰীয়া ৰাজ্যসমূহৰ সীমা বিবাদসমূহ সৌহাৰ্দপূৰ্ণভাৱে মীমাংসাৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহ আজি অসম চুক্তি ৰূপায়ণ আৰু সীমান্ত সুৰক্ষা তথা উন্নয়ন বিভাগৰ মন্ত্ৰী অতুল বৰাই পৰ্যালোচনা কৰে। তেওঁ কয়, যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ৰাজনৈতিক সদিচ্ছা আৰু নিৰন্তৰ প্ৰচেষ্টাৰ লগতে চুবুৰীয়া ৰাজ্যকেইখনৰ নেতৃবৰ্গৰ সহযোগিতাৰ বাবে সীমান্তৱৰ্তী অঞ্চলসমূহত স্থায়ী শান্তি আৰু দ্ৰুত উন্নয়ন নিশ্চিত কৰাটো সম্ভৱ হৈ উঠিব। মন্ত্ৰীগৰাকীয়ে আজি অসম চুক্তি ৰূপায়ণ বিভাগৰ শীৰ্ষ বিষয়াসকলৰ সৈতে বৈঠকত মিলিত হৈ এই চুক্তিৰ ৬ নম্বৰ দফা সন্দৰ্ভত অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ শৰ্মা সমিতিৰ ৫২টা পৰামৰ্শৰ কাৰ্যকৰীকৰণ সন্দৰ্ভত আলোচনা কৰে। তেওঁ এই সন্দৰ্ভত গ্ৰহণ কৰা পৰিকল্পনাসমূহৰ দ্ৰুত আৰু ফলপ্ৰসূ ৰূপায়ণ নিশ্চিত কৰাৰ ব্যৱস্থা কৰিবলৈ বিষয়াসকলক কাম কৰি যাবলৈ নিৰ্দেশ দিয়ে।

০০০০০

ৰাজ্যিক পক্ষী দেওহাঁহৰ সংৰক্ষণৰ বাবে নামেৰী ৰাষ্ট্ৰীয় উদ্যানত যোৱা বছৰৰ পৰা গ্ৰহণ কৰা বিশেষ প্ৰকল্পৰ ফলত উদ্যানখনত দেওহাঁহৰ সংখ্যা বৃদ্ধি পাইছে। দুষ্প্ৰাপ্য প্ৰজাতিৰ এই পক্ষীবিধ পূৰ্বে বিহালী সংৰক্ষিত বনাঞ্চল, ডুমডুমা, ডিব্ৰু-চৈখোৱা, দিহিং-পাটকাইকে ধৰি কেইবাখনো বনাঞ্চলত পোৱা গৈছিল যদিও পৰৱৰ্তী সময়ত অন্য বনাঞ্চলসমূহত দেওহাঁহৰ অস্তিত্ব প্ৰায় নাইকিয়া হৈ পৰে। দিহিং পাটকাই আৰু নামেৰী ৰাষ্ট্ৰীয় উদ্যানতহে এই দুষ্প্ৰাপ্য প্ৰজাতিৰ পক্ষীবিধ বৰ্তি থকাৰ পৰিপ্ৰেক্ষিতত চৰকাৰে যোৱাবছৰ নামেৰিত এই প্ৰকল্প আৰম্ভ কৰে। ইয়াৰ অধীনত দেওহাঁহৰ বিচৰণ ক্ষেত্ৰ তথা বিলসমূহৰ চোৱাচিতা কৰাৰ লগতে এই পক্ষীবিধৰ উপযোগীকৈ তিনিখন বিল সাজু কৰি তোলা হয়। তিনিওখন বিললৈ যথেষ্ট সংখ্যক দেওহাঁহৰ আগমন ঘটাৰ ফলত পক্ষীবিধৰ আশা ব্যঞ্জকভাৱে বংশবৃদ্ধি হৈছে বুলি উদ্যানখনৰ সূত্ৰই প্ৰকাশ কৰিছে। বৰ্তমান উদ্যানখনত থকা ৭০ৰ পৰা ৮০ টা দেওহাঁহ চাবলৈ দেশ-বিদেশৰ অগণন পৰ্যটকৰ আগমন ঘটে। উদ্যানখনত এই পক্ষীবিধৰ গতি-বিধি নিৰূপণৰ বাবে কমেও দুটা পক্ষীৰ দেহত ৰেডিঅ'কলাৰ নামৰ বিশেষ সঁজুলি সংস্থাপন কৰাৰ পৰিকল্পনা কৰা হৈছে বুলি নামেৰি ৰাষ্ট্ৰীয় উদ্যানৰ সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০

মাজুলীৰ থানাসমূহত বিগত বছৰত ৰুজু হোৱা আটাইবোৰ অপৰাধমূলক গোচৰ নিষ্পত্তি হোৱাৰ ফলত জিলাখনত নৱবৰ্ষৰ আৰম্ভণিতে পঞ্জীভুক্ত অপৰাধমূলক গোচৰৰ সংখ্যা শূণ্য হৈছে বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে। জিলাখনত বিগত বৰ্ষত ১৫৬টা গোচৰ নিষ্পত্তি কৰা হয়। সময়মতে তদন্ত আৰু ন্যায় প্ৰদানৰ ক্ষেত্ৰত আৰক্ষী বাহিনীৰ কৰ্তব্যনিষ্ঠা আৰু স্থানীয় ৰাইজৰ সহযোগিতাৰ বাবে এই সাফল্য লাভ কৰা হৈছে বুলি মাজুলী জিলা আৰক্ষী অধীক্ষক বিবেকানন্দ দাসে প্ৰকাশ কৰিছে।

০০০০০

চৰাইদেউ জিলাত অহা ২৬ জানুৱাৰীত গণৰাজ্য দিৱস শান্তিপূৰ্ণ আৰু সফলভাৱে উদযাপন কৰাৰ উদ্দেশ্যে আজি জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এখন বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্ত ডাঃ নেহা যাদৱৰ অধ্যক্ষতাত আয়োজিত বৈঠকত গণৰাজ্য দিৱস উদযাপনৰ বাবে বিভাগীয় দায়িত্ব আৰু কৰ্তব্য সন্দৰ্ভত পুংখানুপুংখভাৱে আলোচনা কৰা হয়। বৈঠকত গণৰাজ্য দিৱসৰ মূল অনুষ্ঠানত পৰিবেশন কৰিবলগীয়া কাৰ্যসূচী সন্দৰ্ভত আলোচনা কৰাৰ লগতে সুৰক্ষা আৰু নিৰাপত্তাৰ বিষয়তো গুৰুত্ব আৰোপ কৰা হয়।

০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত বনৰীয়া হাতীৰ উপদ্ৰৱ অব্যাহত আছে। শিৱসাগৰ জিলাৰ দিচাংমুখৰ চাপৰিত বনৰীয়া হাতীৰ উপদ্ৰৱৰ বাবে কৃষকসকলৰ লগতে স্থানীয় ৰাইজ বিভিন্ন সমস্যাৰ সন্মুখীন হোৱাৰ বাতৰি আমালৈ আহিছে। খাদ্যৰ সন্ধানত জনবসতিপূৰ্ণ অঞ্চললৈ ওলাই অহা বনৰীয়া হাতীয়ে দিচাংমুখ চাপৰিত কেইবাবিঘা পাচলিৰ খেতি ধ্বংস কৰে। বনৰীয়া হাতীৰ উপদ্ৰৱ ৰোধ কৰিবলৈ কৃষকসকলে বন বিভাগক আহ্বান জনাইছে।

০০০০০

সমাপ্ত